# NSD NEWS BULLETIN
# ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 05-09-2025
**Time :** 1910 hrs

*Assamese Evening Bulletin*

## HEADLINES

১। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে প্ৰাকৃতিক দুৰ্যোগৰ সময়ত সমগ্ৰ দেশত সাহায্য আৰু উদ্ধাৰ অভিযানত জড়িত হোৱা লোকসকলৰ কৰ্মস্পৃহাক প্ৰশংসা কৰিছে।

২। কেন্দ্ৰীয় বিত্ত মন্ত্ৰী নিৰ্মলা সীতাৰমনে কৈছে যে নতুন সামগ্ৰী আৰু সেৱা কৰ ব্যৱস্থাই জনসাধাৰণৰ জীৱন ধাৰণৰ মান উন্নত কৰিব আৰু এই ব্যৱস্থাই মূলধনী ব্যয়ত প্ৰভাৱ নেপেলায়।

৩। কেন্দ্ৰীয় গৃহ আৰু নগৰ পৰিক্ৰমা মন্ত্ৰী মনোহৰ লালে আজি দ্বিতীয় পৰ্যায়ৰ প্ৰধামন্ত্ৰী আৱাস যোজনাৰ অধীনত অংগীকাৰ ২০২৫ অভিযান মুকলি কৰে।

৪। কেন্দ্ৰীয় মন্ত্ৰী প্ৰহ্লাদ যোশীয়ে শক্তিৰ ব্যৱহাৰ সীমিত কৰাৰ লক্ষ্যৰে এটা নতুন ভূতাপীয় শক্তি নীতি যুগুত কৰাৰ বাবে নতুন আৰু নবীকৰণযোগ্য শক্তি মন্ত্ৰালয়ৰ জ্যেষ্ঠ বিষয়াসকলক নিৰ্দেশ দিছে।

*আৰু*

৫। বিহাৰৰ ৰাজগীড়ত চলি থকা পুৰুষৰ এছিয়া কাপ হকী প্ৰতিযোগিতাৰ ছুপাৰ ফ'ৰ পৰ্যায়ৰ এখন খেলত কাইলৈ ভাৰতে চীনৰ বিৰুদ্ধে খেলিব।

ooooo

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে প্ৰাকৃতিক দুৰ্যোগৰ সময়ত সমগ্ৰ দেশত সাহায্য আৰু উদ্ধাৰ অভিযানত জড়িত হোৱা লোকসকলৰ কৰ্মস্পৃহাক প্ৰশংসা কৰিছে। সামাজিক মাধ্যমৰ এটা বাৰ্তাত শ্ৰীমতী মুৰ্মুৱে চলিত বৰ্ষৰ বৰ্ষাকালৰ এই সময়ছোৱাত প্ৰাকৃতিক দুৰ্যোগৰ ঘটনাসমূহক লৈ গভীৰ উদ্বেগ প্ৰকাশ কৰিছে। দেশৰ উত্তৰাখণ্ড, হিমাচল প্ৰদেশ, জম্মু আৰু কাশ্মীৰ, পাঞ্জাৱ আৰু অসমকে ধৰি বিভিন্ন প্ৰান্তৰ পাহাৰীয়া অঞ্চলত হোৱা ডাৱৰ বিস্ফোৰণ আৰু ভৈয়াম অঞ্চলত হোৱা বানৰ ফলত ভালেমান লোকে প্ৰাণ হেৰুওৱাক লৈ ৰাষ্ট্ৰপতিগৰাকীয়ে দুখ প্ৰকাশ কৰিছে। শ্ৰীমতী মুৰ্মুৱে এই দুৰ্যোগৰ সময়ত দেশবাসী ক্ষতিগ্ৰস্ত লোকসকলৰ সৈতে আছে বুলি মত প্ৰকাশ কৰিছে। তেওঁ এনে ধৰণৰ প্ৰাকৃতিক দুৰ্যোগৰ প্ৰত্যাহ্বানসমূহৰ পৰা দেশে পৰিত্ৰাণ পাবলৈ সক্ষম হ'ব বুলি আশা প্ৰকাশ কৰে।

ooooo

কেন্দ্ৰীয় বিত্ত মন্ত্ৰী নিৰ্মলা সীতাৰমনে কৈছে যে নতুন সামগ্ৰী আৰু সেৱা কৰ ব্যৱস্থাই জনসাধাৰণৰ জীৱন ধাৰণৰ মান উন্নত কৰিব আৰু এই ব্যৱস্থাই মূলধনী ব্যয়ত প্ৰভাৱ নেপেলায়। এটা ব্যক্তিগত সংবাদ মাধ্যমৰ সাক্ষাৎকাৰত শ্ৰীমতী সীতাৰমনে কয় যে ৯৯ শতাংশ সামগ্ৰী আৰু সেৱা কৰ হয় শূন্য, নহয় ৫ৰ পৰা ১৮ শতাংশৰ ভিতৰত ৰখা হৈছে। তেওঁ জানিবলৈ দিয়ে যে কেন্দ্ৰীয় চৰকাৰে প্ৰথমবাৰৰ বাবে সামগ্ৰী আৰু সেৱা কৰৰ ক্ষতিপূৰণ শুল্ক আৰু বিস্তৃত প্ৰস্তাৱ গ্ৰহণ কৰিছে। মন্ত্ৰীগৰাকীয়ে কয় যে পেট্ৰ'লিয়ামজাত সামগ্ৰী আৰু সুৰাৰ সামগ্ৰীক বৰ্তমানৰ জি এছ টিৰ আওতাৰ পৰা বাহিৰত ৰখা হৈছে। মন্ত্ৰীগৰাকীয়ে কয় যে আমেৰিকা যুক্তৰাষ্ট্ৰই ৫০ শতাংশ শুল্ক আৰোপ কৰাৰ ফলত প্ৰভাৱ পৰা ৰপ্তানিকাৰীসকলৰ সুবিধা হোৱাকৈ কেন্দ্ৰীয় চৰকাৰে বিশেষ পদক্ষেপ গ্ৰহণ কৰিছে। তেওঁ কয় যে ৰপ্তানিকাৰীসকলৰ বাবে এটা বিশেষ পেকেজ প্ৰস্তুত কৰা হৈছে। শ্ৰীমতী সীতাৰমনে কয় যে আত্মনিৰ্ভৰ ভাৰত কেৱল দেশত সামগ্ৰী উৎপাদনৰ বাবেই নহয়, বৰ্তমানৰ অনিশ্চিত গোলকীয় বাণিজ্যিক নীতিৰ সময়ত আত্মসন্মানেৰে মুখামুখি হ'ব পৰাকৈ সাজু কৰি তোলা হৈছে।

ooooo

কেন্দ্ৰীয় গৃহ আৰু নগৰ পৰিক্ৰমা মন্ত্ৰী মনোহৰ লালে আজি দ্বিতীয় পৰ্যায়ৰ প্ৰধামন্ত্ৰী আৱাস যোজনাৰ অধীনত অংগীকাৰ ২০২৫ অভিযান মুকলি কৰে। সমগ্ৰ দেশতে নগৰীয়া অঞ্চলত প্ৰধানমন্ত্ৰী আৱাস যোজনা সন্দৰ্ভত ব্যাপক সজাগতা সৃষ্টি কৰা আৰু ইয়াৰ ৰূপায়ণ ক্ষীপ্ৰ কৰি তোলাৰ উদ্দেশ্যে এই অভিযান মুকলি কৰা হৈছে। এই অভিযানৰ অধীনত প্ৰধানমন্ত্ৰী আৱাস যোজনাৰ আবেদনকাৰীসকলৰ নথিপত্ৰৰ পৰীক্ষণ কম সময়ৰ ভিতৰতে সম্পন্ন কৰা হ'ব আৰু ইতিমধ্যে অনুমোদন পোৱা বাসগৃহসমূহৰ নিৰ্মাণ খৰতকীয়া কৰা হ'ব।

নগৰীয়া অঞ্চলত প্ৰধানমন্ত্ৰী আৱাস যোজনাৰ অধীনত ১ কোটি ১২ লাখ বাসগৃহৰ বাবে পুঁজিৰ অনুমোদন জনোৱা হৈছে। ইয়াৰে ৯৬ লাখৰো অধিক পকীগৃহৰ নিৰ্মাণ ইতিমধ্যে সম্পূৰ্ণ হৈছে। মন্ত্ৰালয়ে জানিবলৈ দিছে যে অংগীকাৰ অভিযানৰ অধীনত নিৰ্মাণ সম্পূৰ্ণ হ'বলৈ বাকী থকা বাসগৃহসমূহক সামৰি লোৱা হ'ব। কেন্দ্ৰীয় চৰকাৰৰ আঁচনিসমূহ সঠিকভাৱে জনসাধাৰণক অৱগত কৰা তথা প্ৰদান কৰাৰ বাবে এই আঁচনিয়ে নিশ্চয়তা প্ৰদান কৰিব।

ooooo

মৰিছাছৰ প্ৰধামন্ত্ৰী নবীন চন্দ্ৰ ৰামগোলাম আঠদিনীয়া ভ্ৰমণসূচীৰে অহা ৯ ছেপ্তেম্বৰত নতুন দিল্লীত উপস্থিত হ'ব। বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ৰ মুখপাত্ৰ ৰনধীৰ জয়ছৱালে কয় যে নবীন চন্দ্ৰ ৰামগোলামৰ এয়া প্ৰথমটো ভাৰত ভ্ৰমণ। এই ভ্ৰমণৰ সময়ছোৱাত মৰিছাছৰ প্ৰধানমন্ত্ৰীগৰাকীয়ে মুম্বাই, বাৰানসী, অযোধ্যা আৰু তিৰুপতি ভ্ৰমণ কৰিব।

ভাৰতীয় লোকৰ বিৰুদ্ধে অষ্ট্ৰেলিয়াত হোৱা প্ৰতিবাদক লৈ সাংবাদিকে সোধা এটা প্ৰশ্নৰ উত্তৰত জয়ছৱালে কয় যে অষ্ট্ৰেলিয়াৰ বহু চহৰত অনুপ্ৰবেশ বিৰোধী প্ৰতিবাদ সংঘটিত হৈছিল আৰু এই সন্দৰ্ভত ভাৰতীয় উচ্চায়ুক্ত আৰু কনচুলেট জেনেৰেলৰ তৰফৰ পৰা অষ্ট্ৰেলিয়াৰ চৰকাৰৰ সৈতে নিয়মীয়া যোগাযোগ অব্যাহত ৰখা হৈছে। তেওঁ লগতে কয় যে ভাৰত চৰকাৰে বহিঃৰাষ্ট্ৰত থকা সকলো ভাৰতীয়ৰ কল্যাণ আৰু মংগলৰ বাবে সদায়েই কাম কৰি আহিছে।

ভাৰত আৰু চীনৰ মাজত অনুষ্ঠিত শেহতীয়া বৈঠকৰ সন্দৰ্ভত সাংবাদিকৰ আন এটা প্ৰশ্নৰ উত্তৰত মুখপাত্ৰগৰাকীয়ে কয় যে দেশ দুখনে ইতিবাচক দৃষ্টিভংগীৰে আলোচনা কৰিছিল আৰু ভৱিষ্যতেও ইতিবাচকভাৱেই সম্পৰ্ক আগবাঢ়ি যাব।

ooooo

কেন্দ্ৰীয় মন্ত্ৰী প্ৰহ্লাদ যোশীয়ে শক্তিৰ ব্যৱহাৰ সীমিত কৰাৰ লক্ষ্যৰে এটা নতুন ভূতাপীয় শক্তি নীতি যুগুত কৰাৰ বাবে নতুন আৰু নবীকৰণযোগ্য শক্তি মন্ত্ৰালয়ৰ জ্যেষ্ঠ বিষয়াসকলক নিৰ্দেশ দিছে। সামাজিক মাধ্যমৰ এটা বাৰ্তাত শ্ৰীযোশীয়ে কয় যে ভাৰতৰ নবীকৰণযোগ্য শক্তিৰ ক্ষেত্ৰত এই নতুন নীতিয়ে ভূতাপীয় শক্তি উপযুক্তভাৱে ব্যৱহাৰ তথা সুচল কৰা আৰু উদ্যোগৰ বাবে উপযোগী কৰি গঢ়ি তোলাৰ লক্ষ্য লোৱা হৈছে। নতুন দিল্লীত আজি ভূতাপীয় শক্তিৰ সম্ভাৱনা সন্দৰ্ভত অনুষ্ঠিত এখন বৈঠকত তেওঁ মন্ত্ৰালয়ৰ বিষয়াসকলক এই নিৰ্দেশ দিয়ে।

ooooo

কেন্দ্ৰীয় কৃষি মন্ত্ৰী শিৱৰাজ সিং চৌহানে পাঞ্জাৱৰ শেহতীয়া বান পৰিস্থিতিক লৈ গভীৰ উদ্বেগ প্ৰকাশ কৰিছে। সামাজিক মাধ্যমযোগে দিয়া এটা বাৰ্তাত মন্ত্ৰীগৰাকীয়ে কয় যে বানৰ ফলত হোৱা ক্ষয়-ক্ষতিৰ বিশদ প্ৰতিবেদন প্ৰধানমন্ত্ৰীক শীঘ্ৰেই দাখিল কৰিব। বাৰ্তাটোত তেওঁ লগতে কয় যে ৰাজ্যখনৰ এই সংকট নিৰাময়ৰ বাবে কেন্দ্ৰীয় চৰকাৰে সম্ভৱপৰ সকলো ব্যৱস্থা গ্ৰহণ কৰিব। উল্লেখযোগ্য যে কৃষি মন্ত্ৰী শিৱৰাজ সিং চৌহানে কালি পাঞ্জাৱৰ বান প্ৰভাৱিত এলেকাসমূহ পৰিদৰ্শন কৰাৰ লগতে অঞ্চলসমূহ পুনৰনিৰ্মাণৰ বাবে হ্ৰস্ব, মধ্যমীয়া আৰু দীৰ্ঘম্যাদী পৰিকল্পনাৰ প্ৰয়োজন বুলি মন্তব্য কৰে।

ooooo

সমগ্ৰ দেশত আজি শিক্ষাবিদ তথা প্ৰাক্তন ৰাষ্ট্ৰপতি ড° সৰ্বেপল্লী ৰাধাকৃষ্ণণৰ জন্মবাৰ্ষিকী উপলক্ষে শিক্ষক দিৱস পালন কৰা হয়। এই উপলক্ষে ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে আজি নতুন দিল্লীৰ বিজ্ঞান ভৱনত ৰাষ্ট্ৰীয় কৃতী শিক্ষক বঁটাসমূহ প্ৰদান কৰে। এই বঁটা প্ৰদান অনুষ্ঠানত ৰাষ্ট্ৰপতিগৰাকীয়ে নাৰীসকলৰ উন্নতিৰ বাবে কন্যা সন্তানক শিক্ষা প্ৰদান কৰাত অধিক গুৰুত্ব আৰোপ কৰে। ৰাষ্ট্ৰপতিগৰাকীয়ে কয় যে কন্যা সন্তানৰ শিক্ষাৰ বিষয়টোৱে সৰ্বাধিক অগ্ৰাধিকাৰ পোৱা উচিত। তেওঁ লগতে কয় যে কন্যা সন্তানৰ শিক্ষাত বিনিয়োগ কৰা মানেই পৰিয়াল, সমাজ আৰু ৰাষ্ট্ৰৰ প্ৰতি অমূল্য অৱদান আগবঢ়োৱাকে বুজায়। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে উচ্চ শিক্ষাত কন্যা সন্তানৰ নামভৰ্তিৰ ক্ৰমবৰ্ধিত অনুপাতে তেওঁক আনন্দ দিছে বুলিও

প্ৰকাশ কৰে। ৰাষ্ট্ৰপতিগৰাকীয়ে কয় যে শিক্ষাই ব্যক্তিক সবল কৰে। তেওঁ কয় যে খাদ্য, বস্ত্ৰ আৰু আশ্ৰয়স্থলৰ দৰে শিক্ষাও মানুহৰ সন্মান আৰু নিৰাপত্তাৰ বাবে অতি প্ৰয়োজন।

ooooo

ৰাছিয়াৰ ৰাষ্ট্ৰপতি ভ্লাডিমিৰ পুটিনে কৈছে যে ইউক্ৰেইনত নিয়োজিত পশ্চিমীয়া দেশসমূহৰ সেনাও মস্কোৰ আক্ৰমণৰ লক্ষ্য হ'ব। ফ্ৰান্সৰ ৰাষ্ট্ৰপতি ইমানুৱেল মেক্ৰ'ৰে এদিন পূৰ্বে ইউক্ৰেইনক ২৬খন দেশে সুৰক্ষা নিশ্চয়তা প্ৰদান কৰাৰ কথা ঘোষণা কৰিছিল। ইয়াৰ পাছতে ভ্লাডিমিৰ পুটিনে ভ্লাডিভস্টকত অনুষ্ঠিত এখন অৰ্থনৈতিক মঞ্চত আজি এই কথা ঘোষণা কৰে। তেওঁ লগতে এই কথাও কয় যে নাটোৰে কীভক সদস্য হিচাপে গ্ৰহণ কৰাৰ লগতে ইউক্ৰেইনত সেনা নিয়োগ কৰাৰ বাবেই ৰাছিয়াই ইউক্ৰেইন আক্ৰমণ কৰিছিল।

ooooo

বিহাৰৰ ৰাজগীড়ত চলি থকা পুৰুষৰ এছিয়া কাপ হকী প্ৰতিযোগিতাৰ ছুপাৰ ফ'ৰ পৰ্যায়ৰ এখন খেলত কাইলৈ ভাৰতে চীনৰ বিৰুদ্ধে খেলিব। খেলখন ৰাজগীড় আন্তঃৰাষ্ট্ৰীয় ষ্টেডিয়ামত সন্ধিয়া চাৰে ৭ বজাত অনুষ্ঠিত হ'ব। ভাৰতে এতিয়ালৈকে এখন খেলত জয়লাভ কৰাৰ লগতে আন এখন খেলত সমতা স্থাপন কৰি ছুপাৰ ফ'ৰ পৰ্যায়ৰ পইণ্ট তালিকাৰ শীৰ্ষস্থানত আছে। কালি সন্ধিয়া অনুষ্ঠিত ছুপাৰ ফ'ৰ পৰ্যায়ৰ এখন খেলত ভাৰতে মালয়েছিয়াক ৪-১ গ'লত পৰাস্ত কৰিছিল। অধিনায়ক হৰমনপ্ৰীত সিঙৰ নেতৃত্বত ভাৰতীয় দলটোৱে আক্ৰমণাত্মকভাৱে খেলি প্ৰতিযোগিতাৰ শক্তিশালী মালয়েছিয়াক পৰাস্ত কৰিছিল।

ooooo

ইউ এছ অ'পেন টেনিছ প্ৰতিযোগিতাৰ মহিলাৰ একক শাখাৰ ফাইনেলত এমাণ্ডা এনিছিমোভাই বৰ্তমানৰ চেম্পিয়ন এৰিনা ছেভেলেংকাৰ মুখামুখি হ'ব। আমেৰিকাৰ এনিছিমোভাই প্ৰতিযোগিতাৰ দ্বিতীয়খন ছেমি ফাইনেলত নাওমী অ'ছাকাক পৰাস্ত কৰে। ইফালে, প্ৰথমখন ছেমি ফাইলেনত বেলাৰুচৰ ছেভেলেংকাই আমেৰিকাৰ জেছিকা পেগুলাক পৰাস্ত কৰে।

পুৰুষৰ একক শাখাৰ এখন ছেমি ফাইনেলত বিশ্বৰ ১ নম্বৰ স্থানৰ ইটালীৰ বৰ্তমানৰ চেম্পিয়ন জেনিক চিনাৰ কানাডাৰ ফেলিক্স উগেৰ এলিয়াছিমেৰ মুখামুখি হ'ব। আনখন ছেমি ফাইনেলত নভাক জ'ক'ভিচে স্পেইনৰ কাৰ্লোছ আলকাৰাজৰ মুখামুখি হ'ব।

পুৰুষৰ ডাবলছ্ শাখাৰ ছেমি ফাইনেলত ভাৰত আৰু নিউজিলেণ্ডৰ যুটি য়ুকি ভামব্ৰী আৰু মাইকেল ভেনাছ ইংলেণ্ডৰ নীল স্কুপস্কি আৰু জ' ছালিছবুৰিৰ হাতত পৰাস্ত হয়।

ooooo

**সমাপ্ত**